অধ্যায় ১০ ঃ উন্নয়নমূলক সংযোগৰ বাবে পৰম্পৰাগত আৰু লোক মাধ্যমৰ ব্যৱহাৰ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ পৰম্পৰাগত লোক মাধ্যম
১০.৪ পৰম্পৰাগত লোক মাধ্যমৰ সুবিধা
১০.৫ লোক মাধ্যমে সামাজিক পৰিবৰ্তন প্ৰতিফলিত কৰে
১০.৬ উন্নয়নমূলক প্ৰচাৰ মাধ্যম হিচাপে পৰম্পৰাগত লোক মাধ্যম
দৃষ্টান্ত অধ্যয়ন (Case Study)
চৰকাৰ আৰু তৃতীয় খণ্ডৰ অভিকৰণ সমূহৰ (agencies) ভূমিকা
১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৮ অধিক জানিবলৈ
১০.৯ অগ্ৰগতিৰ খতিয়ান
১০.১০ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পৰম্পৰাগত লোক মাধ্যমৰ সংজ্ঞা দিব পাৰিব
- পৰম্পৰাগত লোক মাধ্যমৰ সুবিধাসমূহআলোচনা কৰিব পাৰিব
- লোক মাধ্যমে কিদৰে সামাজিক পৰিবৰ্তন প্ৰতিফলিত কৰে সেয়া ব্যাখ্যা কৰিব পাৰিব
- উন্নয়নমূলক প্ৰচাৰ মাধ্যমৰূপে পৰম্পৰাগত লোক মাধ্যমৰ ভূমিকা আলোচনা কৰিব পাৰিব।

১০.২ পৰিচয়

আগৰ অধ্যায়বোৰত আমি উন্নয়ন, উন্নয়নমূলক সংযোগ আৰু উন্নয়নমূলক প্ৰচাৰ মাধ্যমৰ বিষয়ে আলোচনা কৰিছোঁ। কেইবাবাৰো আমি উন্নয়নমূলক সংযোগক পৃষ্ঠপোষকতা কৰিবলৈ গণ প্ৰচাৰ মাধ্যম আৰু গাইগুটীয়া পৰ্যায়ৰ ব্যক্তিগত প্ৰচাৰ মাধ্যমকে ধৰি সকলো প্ৰকাৰৰ প্ৰচাৰ মাধ্যম ব্যৱহাৰ কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰিছোঁ।

বিগত কেইটামান বছৰত বিশেষভাৱে গঞা ৰাইজৰ মাজত বিশেষভাৱে জনপ্ৰিয়তা অৰ্জন কৰা আৰু গুৰুত্ব লাভ কৰা প্ৰচাৰ মাধ্যমটো হ'ল পৰম্পৰাগত লোক মাধ্যম। এই অধ্যায়ত

আমি উন্নয়নৰ লক্ষ্যত উপনীত হোৱা পৰম্পৰাগত লোক মাধ্যমৰ ভূমিকা অধ্যয়ন কৰিম।

প্ৰথমে আমি পৰম্পৰাগত লোক মাধ্যম কি সেয়া আলোচনা কৰিম।

প্ৰত্যেক সংস্কৃতিৰে নিজ নিজ পৰম্পৰা থাকে। এই পৰম্পৰাসমূহ ইটো প্ৰজন্মৰ পৰা সিটো প্ৰজন্মলৈ বাগৰি যায়। পুৰণি দিনত বিদ্যুৎ অথবা প্ৰযুক্তিৰ কোনো সুবিধা নাছিল। সেয়েহে মনোৰঞ্জন অথবা তথ্যৰ বাবে কোনো ৰেডিঅ' অথবা টেলিভিছন অথবা ইণ্টাৰনেট সেৱা উপলব্ধ নাছিল। লিখা কৌশলৰ বিকাশ ঘটাৰ আগতে মানুহে কেনেকৈ বাৰ্তা প্ৰেৰণ আৰু গ্ৰহণ কৰিছিল কেতিয়াবা ভাবিছেনে? লিখা কৌশল বিকাশ ঘটাৰ পাছতো সৰ্বসাধাৰণ লোকে লিখিবলৈ অথবা এই কৌশলৰ প্ৰয়োগ কৰিবলৈ শিকা নাছিল। কাৰণ, লিখা- পঢ়াৰ সুযোগ আধিকাংশ সময়তে সমাজৰ কেৱল উচ্চ জাতিৰ মানুহৰ বাবেহে সুলভ আছিল। সেয়েহে সৰ্বসাধাৰণ লোকে গীত, নৃত্য, সংগীত, নাটক, কাহিনী, কবিতা, ফকৰা-যোজনা, চিত্ৰকলা, স্থাপত্য, হস্তকলা, পুতলা নাচ আদিৰ দৰে সংযোগ স্থাপনৰ অন্য পন্থা অৱলম্বন কৰিছিল। লিপিৱদ্ধ কৰিব নোৱাৰা কাহিনীবোৰ এই মাধ্যমবোৰেৰে প্ৰচাৰ কৰা হৈছিল। বৰ্তমান সময়তো আমাৰ দেশত এনে বহু গাওঁ আছে য'ত উপযুক্ত বৈদ্যুতিক সুবিধা গঢ়ি উঠা নাই। এনে পৰিস্থিতিত স্থানীয় ভাষা আৰু সংস্কৃতিৰ ওপৰত ভিত্তি কৰি মানুহে নিজস্ব শৈলীৰ সংযোগ পন্থাৰ সৃষ্টি কৰি লয়। আপোনালোকে ককা-আইতা অথবা মা-দেউতাৰ মুখৰ পৰা মহাভাৰত আৰু ৰামায়ণৰ কাহিনী নাইবা অন্য নীতিকথা শুনিছিলনে? কেতিয়াবা আপোনাৰ গাঁৱত মঞ্চস্থ কৰা কোনো নাটক স্বচক্ষে উপভোগ কৰিছেনে? এনেদৰেই ইটো প্ৰজন্মৰ পৰা সিটো প্ৰজন্মলৈ তথ্য বাগৰি যায় আৰু পৰম্পৰাগত মাধ্যমৰ বিভিন্ন ৰূপৰ সৃষ্টি হয়।

১০.৩ পৰম্পৰাগত লোক মাধ্যম

পৰম্পৰাগত লোক মাধ্যম বোলা সংজ্ঞাটোৰে 'ব্যক্তিৰ পৰিৱেশন' (People's Performance)ক বুজোৱা হয়। এই সংজ্ঞাটোৰে 'পৰিৱেশন কলা' (Performing Arts)ৰ কথা সূচোৱা হয়। পৰিৱেশন কলা মানে হ'ল মানুহৰ সাংস্কৃতিক পৰম্পৰাৰ প্ৰতীকসমূহৰ প্ৰদৰ্শন। লোক নৃত্য, গ্ৰাম্য নাট আৰু গঞা বাসিন্দাৰ বিভিন্ন সংগীত আদি পৰম্পৰাগত মাধ্যমৰ অন্তৰ্ভুক্ত। পৰম্পৰাগত লোক মাধ্যম মানে কেৱল নৃত্য আৰু সংগীতেই নহয়, ইয়াৰ ভিতৰত চিত্ৰকলা (Art) আৰু হস্তকলাকো (Crafts) সামৰি লোৱা হয়। মানুহৰ নিজকে প্ৰকাশ কৰাৰ প্ৰয়োজনীয়তাৰ ফলশ্ৰুতিতে পৰম্পৰাগত লোক মাধ্যমৰ উৎপত্তি। পৰিৱেশন কলা জীৱনৰ সৈতে সংৰোপিত হয় আৰু সময়ৰ সোঁতত লাহে লাহে সলনি হয়।

ভাৰতত লোক সংস্কৃতি পৰিৱেশন হ'ল এটা সংমিশ্ৰিত কলা। সংগীত, নৃত্য, মূকাভিনয় (Versification), মহাকাব্যিক গাঁথাৰ আবৃত্তি, ধৰ্ম আৰু কৃষিভিত্তিক উৎসৱৰ মিশ্ৰণেৰে সৃষ্ট এক সম্পূৰ্ণ কলাই হ'ল লোক মাধ্যম। ইয়াৰ উৎসৱ-পাৰ্বণ, নীতি-নিয়ম, বিশ্বাস আৰু সামাজিক প্ৰথাৰ আভাস প্ৰতিফলিত হয়।

প্ৰখ্যাত লোক মাধ্যম বিষয়ৰ গৱেষক-পণ্ডিত বলৱন্ত গাৰ্গীৰ মতে, 'লোক মাধ্যমে

মানুহক তেওঁলোকৰ প্ৰাকৃতিক বসতিস্থলত তেওঁলোকৰ পৰস্পৰ বিৰোধিতা আৰু বহুধাবিভক্ত কাম-কাজবোৰৰ সৈতে উপস্থাপন কৰে। ই সেই লোকসকলৰ ভাষা, সংগীত, নৃত্য, সাজ-পাৰৰ কাহিনী মধ্যযুগীয় প্ৰেমকাহিনী, শৌর্য-বীর্যৰ গথা, সামাজিক ৰীতি-নীতি, বিশ্বাস ৰু কিম্বদন্তিৰ মেটমৰা ভঁৰাল। ভাৰতৰ ৰঙীন বৈচিত্র্য আৰু একতাৰ কথা বুজিবলৈ লোক নাটকক ইয়াৰ প্ৰাকৃতিক পটভূমিত উপভোগ কৰাটো অতি প্ৰয়োজন।'

লোকগাঁথা (Folklore) আৰু লোকজীৱনক (Folk life) ৰিচার্ড এম. ড'চনে চাৰিটা শিতানত ভাগ কৰিছে ঃ

মৌখিক সাহিত্য (Oral Literature) ঃ এই ভাগত কথিত, গীত আৰু পৰম্পৰাগত অভিব্যক্তিৰ কথন শৈলীক (voiced form) সামৰি লোৱা হয়। এনে সাহিত্যপুনৰুক্তিমূলক। এই ভাগত লোক কাহিনী, লোকগীত আৰু লোক কবিতাক সামৰি লোৱা হয়। এনে লোকমাধ্যম মুখে মুখে প্ৰচলিত আৰু কাহিনী, গীত কবিতা আদিৰ ৰচক অজ্ঞাত।

ব্যৱহাৰিত সংস্কৃতি (Material Culture) ঃ ব্যৱহাৰিক সংস্কৃতি হ'ল প্ৰজন্মৰ পাছত প্ৰজন্মলৈ বাগৰি অহা কৌশল, দক্ষতা, ৰন্ধন প্ৰণালী আৰু অন্য সাধনোপায়। এনে সংস্কৃতিৰ আভাস ঘৰ, বস্ত্ৰ, খাদ্য আদিত দেখা পোৱা যায়। ই হ'ল লোক আচৰণৰ দৃশ্যমান অংশ। এনে সংস্কৃতি মানুহৰ মাজত দীর্ঘদিন ধৰি চলি আহিছে।

সামাজিক লোকাচাৰ (Social Folk Custom) ঃ এখন সমাজত ঘটা দলীয় মত বিনিময় আৰু পাৰদর্শিতাক এই ভাগত সামৰি লোৱা হয়। এনে মত বিনিময় আৰু পাৰদর্শিতাৰ বিধি- বিধানত গাঁও অথবা সম্প্ৰদায়ৰ আটায়ে ভাগ লয়। জন্ম, মৃত্যু, বিবাহ, উৎসৱ পার্বন আদিত এনে লোকাচাৰৰ অর্ন্তভুক্ত বিধি-বিধানবোৰ দেখা পোৱা যায়। অপশক্তি আঁতৰ কৰিবলৈ ঘৰ-পদূলি বিভিন্ন ধৰণে সজোৱা এনে লোকাচাৰৰ উদাহৰণ। কিছুমান খেল-ধেমালি অথবা মনোৰঞ্জনৰ উৎস মানুহে নির্দিষ্ট নীতি-নিয়মৰ মাজেৰে নহয় পৰম্পৰাগতভাৱে শিকে। সামাজিক লোকচাৰৰ ধর্মীয় দিশটোৱে মানুহৰ পূজা-পাতল কৰাৰ প্ৰথা আৰু আত্মা অথবা দেৱ-দেৱীক সন্তুষ্ট কৰিবলৈ জীৱ-জন্তুৰ বলি দিয়া প্ৰথা আদিক সামৰি লয়।

প্ৰদর্শনীমূলক লোক কলা (Performing Folk Arts) ঃ লোকবাদ্য, লোক নৃত্য পোচাক আৰু লোক দৃশ্যসজ্জাৰে মনোৰঞ্জনৰ বাবে প্ৰদর্শন কৰা পৰম্পৰাগত সংগীত, নৃত্য আৰু নাটকৰ প্ৰদর্শনীক এই ভাগত সামৰি লোৱা হয়। অৱশ্যে প্ৰদর্শনীমূলক লোক কলাৰ আনুষ্ঠানিক প্ৰদর্শনীমূলক কলাৰ সৈতে আন্তঃমিশ্ৰণ (intermix) ঘটোৱা হয়। গ্ৰাম্য ভাৰত হ'ল লোককলা, নাট, সংগীত, নৃত্য, চিত্ৰকলা আৰু হস্তকলাৰ অক্ষয় ভাণ্ডাৰ। পৰম্পৰাগত লোক মাধ্যমবোৰে আমাৰ পূর্বপুৰুষৰ পৰম্পৰা আৰু সংস্কৃতি সংৰক্ষণ কৰাৰ লগতে সেইবোৰত প্ৰাণস্পন্দন যোগ কৰি প্ৰচাৰ কৰে। প্ৰতিটো অঞ্চলৰ

নিজস্ব লোককলা ৰূপ আছে। প্ৰতিটো ৰূপেই নিজস্ব এলেকাত প্ৰাসংগিক আৰু জনপ্ৰিয়। অসমো ইয়াৰ ব্যতিক্ৰম নহয়।

অসমৰ কেইটামান অতি জনপ্ৰিয় পৰম্পৰাগত লোক মাধ্যম হ'ল ওজাপালি, ভ্ৰাম্যমাণ নাট্যদল, ভাওনা, সত্ৰীয়া নৃত্য, লোকগীত, বৰগীত, বনগীত, বিহু আদি। পুতলা নাচ আৰু বাটৰ নাটো যথেষ্ট জনপ্ৰিয় মাধ্যম। যিকোনো কলা ৰূপৰে বিভিন্ন প্ৰকাশ আছে। উদাহৰণস্বৰূপে ভাওনা হ'ল কলাৰ ধ্ৰুপদী ৰূপ। ইয়াক কটকটীয়া নীতি-নিয়মৰ মাজেৰে নামঘৰত পৰিৱেশন কৰা হয়। কিন্তু নামনি অসমৰ কোনো কোনো ঠাইত ঢুলীয়া ভাওনা আৰু খুলীয়া ভাওনাৰ অস্তিত্ব আছে। এনে ভাওনাবোৰৰ আচাৰ-নীতি আকৌ ধ্ৰুপদী ভাওনাৰ দৰে কটকটীয়া নহয়। একেদৰে সামান্য ভিন্নতাৰে মিছিং, বড়ো, কাৰ্বি তথা অন্যান্য অসমীয়া সম্প্ৰদায়বোৰে বিহু নাচে।

কলাৰ প্ৰাচীন ৰূপ হিচাপে লোক মাধ্যম মানুহৰ পৰমাত্মীয়। পৰম্পৰাগত মাধ্যমৰ বিশ্বজনীন আকৰ্ষণ থাকে। ইয়াক পোনে পোনে আৰু ব্যক্তিগতভাৱে বুজিব পৰা যায়। কোনো সম্প্ৰদায়ৰ শৈক্ষিক, সামাজিক তথা বিত্তীয় স্থিতি নিৰ্বিশেষে পৰম্পৰাগত লোককৃষ্টি পৰিবেশনে সৰ্বত্ৰ জনপ্ৰিয়তা অৰ্জন কৰে। বহুতো গৱেষকে উন্নয়নমূলক সংযোগৰ ক্ষেত্ৰত পৰম্পৰাগত লোক মাধ্যমৰ গুৰুত্ব প্ৰতিপন্ন কৰিছে। পৰম্পৰাগতভাৱে লোক মাধ্যমক প্ৰধানকৈ মনোৰঞ্জন, সামাজিক সংযোগ আৰু উদ্দেশ্যধৰ্মী সংযোগৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হৈছিল। বৰ্তমান উন্নয়নৰ বাৰ্তা দিবলৈ লোক মাধ্যম প্ৰয়োগ কৰা প্ৰচেষ্টা চলাই থকা হৈছে। বিগত কেইদশকমানত উন্নয়নৰ বাৰ্তা প্ৰচাৰৰ উপযুক্ত আহিলাস্বৰূপে পৰম্পৰাগত লোক মাধ্যমৰ গুৰুত্ব যথেষ্ট বৃদ্ধি পাইছে। পোনপটীয়া পৰিৱেশন তথা বৈদ্যুতিন গণ প্ৰচাৰ মাধ্যমৰ সৈতে সংযুক্ত ৰূপত ইয়াৰ প্ৰয়োগ দুয়োটাই গুৰুত্বপূৰ্ণ।

তলত পৰম্পৰাগত লোক মাধ্যমৰ কেইটামান বৈশিষ্ট্য উল্লেখ কৰা হ'ল—

১) সময়ৰ পৰিবৰ্তন হোৱা সত্ত্বেও এই মাধ্যমবোৰ বৰ্তি থাকে।
২) পৰিৱৰ্তিত সময়ৰ সৈতে পৰিৱৰ্তন সাধন কৰি মাধ্যমবোৰ বৰ্তি থাকে।
৩) এনে পৰিৱেশনত সকলো ব্যক্তিয়েই অংশগ্ৰহণকাৰী, কোনো দৰ্শক নাই।
৪) ই স্বতঃস্ফূৰ্ত।
৫) ই নমনীয়।
৬) ই ব্যয় সাৰ্থককাৰী। সেয়েহে ইয়াৰ পুনৰাবৃত্তি ঘটাব পাৰি।
৭) ই দৰ্শকৰ তাৎক্ষণিক সঁহাৰি আৰু বৰ্দ্ধিত মনোযোগ লাভ কৰে।
৮) মানুহৰ বুজা শক্তিৰ পৃষ্ঠপোষকতা কৰি এই কলা উমৈহতীয়া ভাষা এটাৰ মাধ্যমেৰে পৰিৱেশন কৰা হয়।
৯) ই পোনপটীয়া আৰু ব্যক্তিগত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ পৰম্পৰাগত লোক মাধ্যমৰ সংজ্ঞা দিয়ক।

.....

.....

.....

প্রশ্ন নং ২ ঃপৰম্পৰাগত লোক মাধ্যম মানে কেৱল নৃত্য আৰু সংগীতেই নহয়, ইয়াত .....কো সামৰি লোৱা হয়।

প্রশ্ন নং ৩ ঃলোককৃষ্টি পৰিৱেশনক কিয় ভাৰতৰ সংমিশ্রিত কলা বোলা হয়।

.....

.....

.....

.....

.....

.....

.....

.....

প্রশ্ন নং ৪ ঃঅসমৰ কেইটামান জনপ্রিয় পৰম্পৰাগত লোক মাধ্যমৰ নাম লিখক।

.....

.....

.....

.....

.....

.....

.....

.....

প্রশ্ন নং ৫ ঃপৰম্পৰাগত লোক মাধ্যমৰ বৈশিষ্ট্যসমূহ কি কি?

.....

.....

.....

.....

.....

১০.৪ পৰম্পৰাগত লোক মাধ্যমৰ সুবিধা

এতিয়া পৰম্পৰাগত গণ প্ৰচাৰ মাধ্যমৰ তুলনাত পৰম্পৰাগত লোক মাধ্যমবোৰৰ সুবিধাসমূহৰ ওপৰত আলোকপাত কৰা হ'ব।

জনগণৰ সৈতে ঘনিষ্ঠতা ঃ আমাৰ সমাজত প্ৰতিটো সম্প্ৰদায় আৰু খিলঞ্জীয়া গোষ্ঠীৰে নিজস্ব লোক তথা পৰম্পৰাগত মাধ্যম আছে। এইবোৰ তেওঁলোকৰ অতি আপোন। কাৰণ এই লোক মাধ্যমসমূহ তেওঁলোকৰ বাপতিসাহোন অথবা সিৰাই সিৰাই প্ৰবাহিত হৈ থাকে। যেতিয়া সম্প্ৰদায়ৰ কোনো এজনে ইয়াক পৰিৱেশন কৰে, তেন্তে জনগণে গৈ তাত ভাগ ল'ব খোজে, অন্তৰেৰে তেনে পৰিৱেশন উপভোগ কৰে।

ই কায়িক ভাৱে মানুহৰ অতি নিকটৱৰ্তী ঃ আপুনি নিশ্চয় এটা কথা মন কৰিছে যে লোক আৰু পৰম্পৰাগত মাধ্যমসমূহ ৰাইজৰ ভিৰৰ প্ৰায় মাজতে পৰিৱেশন কৰা হয়। অসমীয়া আৰু অসমত বাস কৰা আটায়ে জানে যে বিহু নৃত্য মানুহৰ জুমত নচা হয়। সেয়েহে জনসমাজত ইয়াৰ প্ৰভাৱ গণপ্ৰচাৰ মাধ্যমতকৈ বেছি।

ই হ'ল ব্যক্তিগত মাধ্যম ঃ সংযোগ আৰু গণ সংযোগৰ বৈশিষ্ট্য অধ্যয়ন কৰাৰ সময়ত আপুনি নিশ্চয় মন কৰিছে যে গণ সংযোগ এটা অতি 'নৈৰ্ব্যক্তিক' মাধ্যম। ইয়াৰ কাৰণ হ'ল সংযোগ স্থাপনকাৰীসকলে মানুহৰ সৈতে যান্ত্ৰিক উপায়েৰে অথবা মাধ্যমেৰে সংযোগ স্থাপন কৰে। সেয়েহে লোক তথা পৰম্পৰাগত মাধ্যমসমূহে উপভোগ কৰা ব্যক্তিগত আন্তৰিকতা গণ প্ৰচাৰ মাধ্যমসমূহত অনুপস্থিত। টিভি, ৰেডিঅ', বাতৰিকাকত, আলোচনী আদিৰ ক্ষেত্ৰত ইয়াৰ সত্যতা দেখিবলৈ পোৱা যায়। গণ প্ৰচাৰ মাধ্যমত জনসাধাৰণক অভিভূত কৰিব পৰা ব্যক্তিগত আকৰ্ষণীয়তা নাথাকে।

পৰিৱেশন পুনৰাবৃত্তি কৰাৰ সুবিধা ঃ লোক আৰু পৰম্পৰাগত মাধ্যমত দৰ্শকে ভাল পালে অনুষ্ঠান বাৰে বাৰে কৰি দেখুওৱাৰ সুবিধা থাকে। দৰ্শকে নিজেও পৰিৱেশনকাৰী দলটোক সংগ দি পৰিৱেশনকাৰী হৈ পৰিব পাৰে। এই সুবিধাটো গণ প্ৰচাৰ মাধ্যমত নাই। তাত অনুষ্ঠানসমূহ এবাৰেই একে সময়তে সম্প্ৰচাৰ কৰা হয়। গণ প্ৰচাৰ মাধ্যমত একে সময়তে অনুষ্ঠান এটা বিভিন্ন বৰ্গৰ শ্ৰোতা-দৰ্শকৰ বাবে একেলগে সম্প্ৰচাৰিত কৰা হয়।

আঞ্চলিক/স্থানীয় স্তৰৰ ভিন্নতা থকাতো জৰুৰী ঃ লোক আৰু পৰম্পৰাগত মাধ্যমৰ অনুষ্ঠানসমূহ দেশৰ ভিন্ ভিন্ ঠাই অনুসৰি কিছু আঞ্চলিক অথবা থলুৱা ভিন্নতা সংযোজিত কৰি পৰিৱেশন কৰাৰ সুযোগ থাকে। উদাহৰণস্বৰূপে, শিৱসাগৰ জিলাৰ বিহু নৃত্য আৰু ডিব্ৰুগড়, গোলাঘাট অথবা যোৰহাট জিলাৰ বিহু নৃত্যৰ মাজত কিছু পাৰ্থক্য থাকে। কিন্তু গণ প্ৰচাৰ মাধ্যমসমূহৰ ক্ষেত্ৰত একেধৰণৰ অনুষ্ঠানেই সকলো ঠাইৰ মানুহে উপভোগ কৰিব লাগে। তাত কোনো আঞ্চলিক অথবা স্থানীয় ভিন্নতা যোগ কৰাৰ সুবিধা নাথাকে।

লোক আৰু পৰম্পৰাগত মাধ্যমত পৰ্যাপ্ত ৰূপত শাৰীৰিক অংগী-ভংগী অথবা অনা-মৌখিক ভাষা প্ৰয়োগ কৰাৰ সুবিধা থাকে ঃ আপুনি নিশ্চয় সংযোগ ক্ষেত্ৰখনত অনা-মৌখিক

ভাষাৰ গুৰুত্ব বুজিব পাৰিছে। লোক তথা পৰম্পৰাগত মাধ্যমত অনা-মৌখিক ভাষা অথবা শাৰীৰিক অংগী-ভংগীয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অংশগ্ৰহণকাৰীসকলৰ মাজত বার্তাৰ আদান-প্ৰদানক ই অধিক অর্থৱহ কৰি তোলে। কণ্ঠস্বৰৰ উত্থান-পতন, মুখৰ ভাব-ভংগী, সামগ্ৰিক শাৰীৰিক সঞ্চালন আদিয়ে লোক আৰু পৰম্পৰাগত মাধ্যমক গণ প্ৰচাৰ মাধ্যমতকৈ অধিক প্ৰভাৱশালী কৰি তোলে। টিভি, চিনেমা আদি তথ্যচিত্ৰ আদিৰো এই বিশেষত্ব আছে বুলি কোনোবাই যুক্তি দৰ্শাব পাৰে। কিন্তু প্ৰভাৱৰ ক্ষেত্ৰত জীৱন্ত পৰিৱেশনৰ লগত এই বিশেষত্বক তুলনা কৰিব নোৱাৰি। এই দিশৰ পৰা বিবেচনা কৰি চালে ক'ব পাৰি যে ছপা মাধ্যম হ'ল এই ক্ষেত্ৰত সবাতোকৈ স্থিৰ মাধ্যম। ই তথ্য আৰু বার্তা অতি স্থিৰ শৈলীৰে পাঠকলৈ প্ৰেৰণ কৰে। লিখিত ভাষাত যদিও ভাববোধক চিহ্ন প্ৰয়োগ কৰা হয়, তথাপিও টিভি আৰু ৰেডিঅ' অনুষ্ঠান পৰিৱেশনৰ কণ্ঠস্বৰত থকা উত্থান-পতনে ভাব প্ৰকাশলৈ অনা আৱেগিক শক্তিৰ সৈতে ইয়াৰ তুলনা নহয়।

স্থানীয় ভাষা, সাজ-পাৰ আদিৰ প্ৰয়োগ ঃ সকলো প্ৰকাৰৰ লোক তথা পৰম্পৰাগত মাধ্যম হ'ল স্থানীয় কৃষ্টি-সংস্কৃতি তথা অন্য দিশৰ ওপৰত ভিত্তি কৰি সৃষ্টি হোৱা মাধ্যম। সেয়েহে ইয়াৰ পটভূমি আৰু পশ্চাদপট হিচাপে ব্যৱহাৰ হোৱা সাজ-পাৰ, ভাষা আদিত স্থানীয় আৰু এলেকা এটাৰ সাধাৰণ সংস্কৃতিৰ ছাপ থাকিব লাগে। অন্যথা ই ৰাইজক ভবাৰ দৰে প্ৰভাৱিক কৰি দিব খোজা বার্তা প্ৰদানত ব্যর্থ হ'ব।

ই হ'ল পৰিৱেশনকেন্দ্ৰিক মাধ্যম ঃ লোক তথা পৰম্পৰাগত মাধ্যমৰ আন এটা মন কৰিবলগীয়া দিশ হ'ল ইয়াৰ পৰিৱেশনকেন্দ্ৰিক বৈশিষ্ট্য। সহজ অর্থত দুয়োটা মাধ্যমৰে অধিকাংশ ভাগেই হ'ল সংগীত আৰু নৃত্যৰ সুষম মিশ্ৰণ। এই বৈশিষ্ট্যটোৰ বাবে ই নির্দ্ধাৰিত দর্শকবৃন্দৰ আগত অধিক প্ৰভাৱশালীভাৱে অনুষ্ঠান পৰিৱেশন কৰিব পাৰে।

লোক তথা পৰম্পৰাগত মাধ্যমৰ কিছু দোষ-ত্ৰুটীও আছে। ইয়াৰে এটা হ'ল কোনো এক সময়ত ই অতি সীমিতসংখ্যক দর্শকৰহে কায চাপিব পাৰে। ইয়াৰ অর্থ হ'ল লোক তথা পৰম্পৰাগত শৈলীৰ পৰিৱেশন কেইবাশ অথবা হাজাৰ লোকৰ সন্মুখতহে কৰা হয়। লাখ লাখ লোকৰ কায চাপিবলৈ ইয়াৰ সামর্থ্য পর্যাপ্ত নহয়। ই স্থানীয় মাধ্যম হিচাপেই উত্তম। কোনো এক নির্দিষ্ট স্থানৰ নিজস্ব ভাষা, সংস্কৃতি, ৰীতি-নীতি আদিৰ সৈতে খাপ খুৱাই লৈ এনে মাধ্যমৰ জৰিয়তে ঠাইডোখৰৰ বিভিন্ন সমস্যা, বিষয় আৰু দিশ আঙুলিয়াই দেখুৱাব পাৰি।

তথাপি উল্লিখিত আটাইবোৰ বৈশিষ্ট্যৰ বাবে লোক তথা পৰম্পৰাগত মাধ্যমে ই যিখন সমাজৰ অংশ সেই সমাজখনৰ সদস্যৰ ওপৰত সুগভীৰ প্ৰভাৱ বিস্তাৰ কৰিব পাৰে আৰু জনপ্ৰিয়তা অর্জন কৰিবলৈ সক্ষম হয়।



জানি থোৱা ভাল

লোক মাধ্যম আৰু বৈদ্যুতিন মাধ্যমৰ মাজৰ পার্থক্য ঃ

উপাদান	লোক মাধ্যম	বৈদ্যুতিন মাধ্যম
বিনিয়োগ (পুঁজি)	নিচেই সামান্য	অতি ব্যয়বহুল
শক্তি	প্রয়োজন নাই	প্রয়োজনীয়
গ্রাহক যন্ত্র	প্রয়োজন নাই	প্রয়োজনীয়
তদাৰক	শূন্য	প্রয়োজনীয়
কাৰিকৰী সমস্যা	শূন্য	প্রায়েই থাকে
দোভাষী	প্রয়োজন নাই	প্রয়োজন সাপেক্ষ
পৰিচিত ৰূপ	পৰিচিত	পৰিচিত
ব্যক্তিগত সংযোগ	সদায়	শূন্য
ভাষা সমস্যা	শূন্য	সম্ভাৱনা আছে
ফলপ্রসূতা	অতি উচ্চ	নিম্ন
দর্শকৰ অংশগ্রহণ	অতি উচ্চ	কেতিয়াবাহে সম্ভৱ
নমনীয়তা	অতি উচ্চ	অতি উচ্চ
প্রাপ্তবয়স্ক শিক্ষা	অধিক প্রভাৱশালী	কম প্রভাৱশালী
পুনৰাবৃত্তি	সহজ	কঠিন
প্রতিক্রিয়া	তাৎক্ষণিক	বিলম্বিত
প্রসাৰ	বিস্তৃত	বাধাহীন
মনোযোগ	বিষয়বস্তু নির্ভৰশীল	নির্ভৰশীল
বোধগম্যতা	অতি উচ্চ	তুলনা কৰিব নোৱাৰি
বুজাব পৰা ক্ষমতা	বিশ্বজনীন	বিচ্ছিন্ন
গ্রহণযোগ্যতা	বিশ্বজনীন	বিশ্বজনীন
সামগ্রিক প্রভাৱ	অতি উচ্চ	তুলনা কৰিব নোৱাৰি
অনুষ্ঠান প্রস্তুতকৰণ	সহজ	অতি কঠিন

(উৎস ঃ ফক্ আর্টছ্ এজ মাছ কমিউনিকেশ্যন মিডিয়া— চি. এছ. শ্রীকুমাৰ)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ পৰম্পৰাগত প্রচাৰ মাধ্যমৰ তুলনাত পৰম্পৰাগত লোক মাধ্যমৰ থকা পাঁচটা সুবিধাৰ কথা উল্লেখ কৰক।

.....

.....

.....

.....

.....

.....

প্রশ্ন নং ৭ ঃ পৰম্পৰাগত লোক মাধ্যমৰ প্রধান অসুবিধা কি?

.....

.....

.....

.....

.....

১০.৫ লোক মাধ্যমে সামাজিক পৰিবর্তন প্রতিফলিত কৰে

লোক আৰু পৰম্পৰাগত প্রচাৰ মাধ্যমৰ এটা প্রধান বৈশিষ্ট্য আৰু সুবিধা হ'ল ইয়াৰ গতিশীলতা। ইয়াৰ অর্থ হ'ল ই সময়ৰ সৈতে সলনি হৈ, নতুন নতুন উপাদান গ্রহণ কৰে। সেয়েহে বিভিন্ন সময়ত ইয়াৰ বিষয়বস্তু সলনি হোৱা দেখা যায়।

ইয়াৰ গতিশীল প্রকৃতি এই কথাৰো প্রমাণ যে অধিকাংশ লোক আৰু পৰম্পৰাগত মাধ্যমে সমাজৰ গুৰুত্বপূর্ণ ঘটনা আৰু পৰিবর্তনৰ প্রতি সঁহাৰি জনায়। উদাহৰণস্বৰূপে সময়ৰ পৰিবর্তনৰ সৈতে সলনি হোৱা বিহুগীতবোৰলৈ মন কৰক। এই গীতবোৰে বিভিন্ন সময়ৰ প্রধান আৰু উল্লেখযোগ্য ঘটনাবোৰক ইয়াৰ বিষয়বস্তু কৰি লৈছে। কিছুমান বিহুগীতত ঔপনিৱেশিক শাসকৰ বিৰুদ্ধে চলা স্বাধীনতা সংগ্রামৰ বর্ণনা আছে, কিছুমানত ১৯৮০ৰ দশকৰ বিদেশী বিতাড়ন আন্দোলনৰ বর্ণনা পোৱা যায়, কিছুমানত বানপানী আৰু অন্য আর্থ-সামাজিক সমস্যাৰ উল্লেখ থাকে।

আপুনি আটায়ে নিশ্চয় অসমৰ লোক সংস্কৃতি ওজাপালিৰ বিষয়ে জানে। এই লোক সংস্কৃতিৰ ৰূপটোক এটা ছন্দবদ্ধ নৃত্য আৰু লিখিত ক্রমৰ কাহিনী আছে। জনগণৰ মাজত সজাগতা সৃষ্টি কৰা কামত ইয়াক প্রয়োগ কৰা হয়। আজিও ই প্রচলিত আৰু নিজ দায়িত্ব সুচাৰুৰূপে

পালন কৰি আছে। যি অঞ্চলত ওজাপালি নাচে তাত বিভিন্ন সামাজিক সমস্যা সম্পর্কে ৰাইজক সজাগ কৰি তোলাৰ কাম অব্যাহত ৰাখিছে।

নামনি অসমৰ কোনো কোনো ঠাইত 'মহোহো' নামৰ লোক পৰম্পৰা এটা প্ৰচলিত। ইয়াক মহ খেদা উৎসৱ বুলি কোৱা হয়। এই লোক সংস্কৃতিৰ গাঁৱৰ ৰাইজে সৰু সৰু গোট গঠন কৰি ঘৰে ঘৰে গৈ মহ খেদিবলৈ সতর্ক কৰি দিয়ে। ইয়াক অৱশ্যে বয়োজ্যেষ্ঠ গঞাই ঘৰে ঘৰে গৈ পৰিয়ালসমূহক আশীৰ্বাদ দিয়াৰ পৰম্পৰা বুলিও ক'ব পৰা যায়। এইদৰে গঞা ৰাইজে পাৰস্পৰিক সম্পর্ক পুনৰুজ্জীৱিত কৰে।

ওপৰৰ আলোচনাৰ পৰা আমি দেখিলো যে আমাৰ সমাজৰ অধিকাংশ লোক আৰু পৰম্পৰাগত মাধ্যমেই উন্নয়নমূলক বার্তাৰ বাহকৰূপে কাম কৰে। দেশৰ চুকে-কোণে এই মাধ্যমে তৃণমূল পর্যায়ত জনগণৰ সৈতে সম্পর্ক স্থাপন কৰি নিজ দায়িত্ব পালন কৰিছে। বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত নিৰক্ষৰ গঞাৰ উপকাৰৰ অর্থে এই বিশেষ সংযোগ ক্ষেত্রখনে চলাই থকা প্ৰায়বোৰে এই কথাবোৰৰ বাবে এদিন বৃহৎ সফলতা লাভ কৰাটো সুনিশ্চিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ কিছুমান বিহুগীতত উল্লেখ কৰা সামাজিক সমস্যা কেইটামানৰ কথা উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৯ ঃ কোনটো ছন্দোৱদ্ধ নৃত্য আৰু লিখিত ক্রমৱদ্ধ কথা সমৃদ্ধ লোককলা শৈলীয়ে জনগণৰ মাজত সজাগতা সৃষ্টিৰ কাম কৰি আছে?

.....

.....

প্রশ্ন নং ১০ ঃ 'মহোহো' লোক পৰম্পৰাৰ উদ্দেশ্য কি?

.....

.....

.....

.....

১০.৬ উন্নয়নমূলক প্রচাৰ মাধ্যম হিচাপে পৰম্পৰাগত লোক মাধ্যম

১৯৭২ চনত পোন প্রথমবাৰৰ বাবে উন্নয়নশীল দেশবোৰৰ উন্নয়ন ক্ষেত্রত পৰম্পৰাগত মাধ্যমৰ ভূমিকাক আন্তঃৰাষ্ট্রীয় স্বীকৃতি প্রদান কৰা হৈছিল। সেই বছৰ লণ্ডনত 'আন্তঃৰাষ্ট্রীয় পৰিকল্পিত পিতৃ-মাতৃৰ ফেডাৰেশ্যন' আৰু ইউনেস্ক'ই পৰিয়াল পৰিকল্পনা সংযোগ কার্যসূচীত লোক তথা গণ প্রচাৰ মাধ্যমৰ সংহত প্রয়োগ সম্পর্কীয় এলানি বৈঠকৰ আয়োজন কৰিছিল।

আমাৰ দেশতো উন্নয়নমূলক সংযোগৰ বাবে পৰম্পৰাগত লোক মাধ্যম ব্যৱহাৰ কৰা হয়। তথাপিও বাতৰিকাকত, ৰেডিঅ' অথবা টিভিৰ দৰে পৰম্পৰাগত প্ৰচাৰ মাধ্যমবোৰৰ দৰে ইয়াৰ প্ৰয়োগ অবিৰত আৰু নিয়মীয়া নহয়।

স্বাধীনতা আন্দোলন চলি থকা সময়ৰে পৰা ভাৰতত পৰম্পৰাগত প্ৰচাৰ মাধ্যমৰ ব্যৱহাৰ হৈ আহিছে। উত্তৰ প্ৰদেশৰ জনপ্ৰিয় লোকগাঁথা 'আহ্‌লা', মহাৰাষ্ট্ৰৰ 'লাৱনি', 'কৰ্ণাটকৰ 'গী গী', তামিলনাড়ুৰ 'ভিল্লুপাষ্টু', পশ্চিমবংগৰ 'কবিগান' আদি লোক কলাই বৃটিছ শাসকৰ বিৰুদ্ধে জনগণৰ মনত প্ৰবল সজাগতাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। মহাত্মা গান্ধীয়ে সূচনা কৰা বহুতো সামাজিক আৰু ৰাজনৈতিক অভিযানত পৰম্পৰাগত লোক মাধ্যমৰ সহায় লোৱা হৈছিল। একেদৰে প্ৰখ্যাত তামিল কবি সুব্ৰামন্য ভাৰতীয়ে মানুহৰ অন্তৰত দেশপ্ৰেম জগাই তুলিবলৈ লোক সংগীত ব্যৱহাৰ কৰিছিল। লোক সংগীতৰ সুৰত গোৱা গীতবোৰো চৰ্খা আন্দোলনক মহিমামণ্ডিত কৰিছিল আৰু দেশবাসীক বিদেশী সামগ্ৰী বৰ্জনৰ বাবে উদ্বুদ্ধ কৰিছিল।

স্বাধীনতা লাভৰ পাছত চৰকাৰে গ্ৰামাঞ্চলৰ উন্নয়নৰ বাবে পৰম্পৰাগত লোককলা পৰিৱেশনৰ সহায় লোৱাৰ দৃষ্টান্ত আছে। ১৯৪০ চনত 'ভাৰতীয় গণ নাট্য সংঘ'ই (Indian People Theatre Association/IPTA) সামাজিক সজাগতা আৰু ৰাজনৈতিক শিক্ষা বৃদ্ধিৰ বাবে পশ্চিমবংগৰ 'যাত্ৰা', গুজৰাটৰ 'ভৱাই', মহাৰাষ্ট্ৰৰ 'তমাছা' আৰু অন্ধ্ৰপ্ৰদেশৰ 'বুৰকথা'ৰ দৰে জনপ্ৰিয় আঞ্চলিক নাট্যৰূপৰ সহায় লৈছিল।

১৯৭৭ চনত কেৰালাৰ স্বেচ্ছাসেৱী অনা-চৰকাৰী সংগঠন 'কেৰালা শাস্ত্ৰ সাহিত্য পৰিষদ'-এ (KSSP) এটা বিজ্ঞান শোভাযাত্ৰাৰ আয়োজন কৰিছিল। 'ছায়েন্স জাথা' নামৰ এই শোভাযাত্ৰাটোৰ জৰিয়তে উন্নয়ন প্ৰক্ৰিয়াত জনসাধাৰণৰ অংশগ্ৰহণৰ বাৰ্তা প্ৰচাৰ কৰাৰ প্ৰয়াস কৰা হৈছিল। ১৯৮০ চনৰ পৰা 'জাথা'ত বিভিন্ন লোককলা শৈলী অন্তৰ্ভুক্ত কৰা হৈছিল। ইয়াৰ জৰিয়তে প্ৰধানকৈ শিক্ষা, স্বাস্থ্য, পৰিবেশ আৰু সামাজিক অসমতাৰ বাৰ্তা প্ৰচাৰ কৰাৰ প্ৰয়াস কৰা হয়। শোভাযাত্ৰাত সন্নিৰিষ্ট কাৰ্যক্ৰমণিকাত গীত, বাটৰ নাট আৰু আন লোককলা শৈলী থাকে। 'জাথা'বোৰ পাছলৈ 'কলা জাথা' নামেৰে জনপ্ৰিয় হ'ল আৰু ইয়াৰ জনপ্ৰিয়তাই কেৰালাৰ সীমা অতিক্ৰম কৰিলে। KSSP-ৰ অনুপ্ৰেৰণা পাই ভাৰতৰ আন আন অংশৰ স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানবোৰেই লোককলা শৈলীৰ মাধ্যমেৰে বাৰ্তা প্ৰদানৰ প্ৰয়াস আৰম্ভ কৰিলে।

প্ৰখ্যাত নাট্য শিল্পী বিকাশ লোক মঞ্চৰ ৰবি বাৰ্মাই বাস্তৱতাক কলাত্মকভাৱে লোকনৃত্য, সমবেত সংগীত আদিৰ জৰিয়তে প্ৰকাশ কৰি আহিছে। তেওঁক সহায় কৰে বস্তি অঞ্চলৰ বাসিন্দা কণ কণ ল'ৰা-ছোৱালীহঁতে। তেওঁ মদ্যপানৰ অপকাৰিতা, পৰিৱেশ প্ৰদূষণ, ধৰ্ম, সম্প্ৰদায় আৰু শ্ৰেণীৰ মাজত থকা অসমতা, সাম্প্ৰদায়িকতা আদি বিষয়ৰ ওপৰত আলোকপাত কৰে। তেওঁৰ দলটোৰ এক প্ৰখ্যাত প্ৰচেষ্টা হ'ল ভূপাল গেছ দুৰ্ঘটনাটোক লৈ কৰা বাটৰ নাট 'হমে জৱাব ছাহিয়ে' (১৯৮৫) বাটৰ নাটখনে দৰ্শকক (বিশেষকৈ সৰু ল'ৰা-ছোৱালীহঁত) এই কথা সোঁৱৰাই দিয়ে যে ভূপালৰ দুৰ্ঘটনাটো এটা শেষ হোৱা সমস্যা নহয়। ইয়াৰ প্ৰতিক্ৰিয়াই আজিও বহুতৰে জীৱন দুৰ্বিসহ কৰি ৰাখিছে।

লোকগীতে 'ছিপ্‌কো আৰু আপিকো আন্দোলন'ৰ সময়ত এটা অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। অঞ্চলটোৰ লোকগীত শিল্পীসকলে নিজৰ লোক সংগীতৰ সুৰত বাটে-পথে গীত গাই ফুৰিছিল। গাঁৱৰ ল'ৰা-ছোৱালীয়ে লগে লগে সেইবোৰ মনত ৰাখিছিল আৰু সকলো সময়তে গাবলৈ লৈছিল। এইদৰেই সিহঁতেও সংযোগকাৰীৰ ভূমিকা পালন কৰিছিল। দক্ষিণ ভাৰতৰ পৰিবেশবিদসকলেও 'ছেভ দ্যা ৱেষ্টার্ণ ঘাটছ্' (১৯৮৫) নামৰ অভিযানটোৰ সময়ত লোককৃষ্টি ব্যৱহাৰ কৰিছিল। 'সেৱা সংঘ' নামৰ সংগঠনটোৱে এই অভিযানৰ নেতৃত্ব দিছিল আৰু অন্য দল-সংগঠনে ইয়ালৈ সমর্থন আগবঢ়াইছিল।

জানি থোৱা ভাল



ছিপ্‌কো আন্দোলন ঃ হিন্দীত ইয়াৰ অর্থ হ'ল আঠা লগাদি লাগি ৰোৱা। ই আচিল এটা পৰিবেশ-সামাজিক আন্দোলন আছিল। এই আন্দোলনত গান্ধীবাদী সত্যাগ্রহ আৰু অহিংস নীতিৰ সহায় লোৱা হৈছিল। গছকটা ৰোধ কৰিবলৈ গছবোৰ মানুহে সাবটি ধৰিছিল। আধুনিক ছিপ্‌কো আন্দোলন আৰম্ভ হৈছিল বিংশ শতিকাৰ সপ্তম দশকত উত্তৰাখণ্ডৰ গড়ৱাল হিমালয় অঞ্চলত।

আপিকো আন্দোলন ঃ (অর্থ একেই— আঁকোৱালি ধৰা)। ১৯৮৩ চনৰ ৮ ছেপ্টেম্বৰত কর্ণাটকত আৰম্ভ হয়। ইয়াৰ নেতা পাণ্ডুৰংগা হেগড়েই ছিপ্‌কো আন্দোলনৰ পৰা প্রেৰণা লৈছিল। একে পদ্ধতিৰে গঞাই গছ সাবটি ধৰি চৰকাৰক গছ কটা নীতি বাতিল কৰিবলৈ বাধ্য কৰাইছিল।

'ৰাজস্থান এডাল্ট এডুকেশ্যন এছ'চিয়েশ্যন'-এ (RAEA) দেৱকিষাণাপুৰা নামৰ গাঁও এখনত এটা পৰীক্ষণ চলাইছিল। তেওঁলোকে ৰাষ্ট্রীয় নাট্য বিদ্যালয়ৰ স্নাতক ৰবি চতুর্বেদী নামৰ শিল্পীগৰাকীক পৃষ্ঠপোষকতা কৰি উন্নয়নমূলক বার্তা বিকশাই তুলিছিল। মহাকাব্যৰ কাহিনীৰ আধাৰত নাটক আকাৰে এই বার্তা প্রচাৰ কৰা হৈছিল। তেওঁ তিনিটা প্রধান বিষয় চিহ্নিত কৰি উলিয়াইছিল— অস্পৃশ্যতা, স্বাস্থ্যজনিত সংকট আৰু অভ্যন্তৰীণ কলহ। গাঁওখনত এই সমস্যাবোৰৰ উপস্থিতি বিৰাজমান আছিল। তেওঁ ৰামায়ণৰ দুটামান খণ্ড বাছনি কৰিছিল। ৰামায়ণত নাটকীয় উপাদানৰ লগতে যুদ্ধ-বিগ্রহো বিদ্যমান। তেওঁ সেইবোৰক গাঁৱৰ সমস্যাৰ ৰূপ দিছিল। গাঁওখনৰ যুৱকসকলে অভিনয় কৰা এই নাটকবোৰে প্রভূত জনপ্রিয়তা অর্জন কৰিছিল।

চতুর্বেদীয়ে জয়পুৰ জিলাৰ গৰুড়বাসী গাঁৱত আন এটা পৰীক্ষামূলক প্রচেষ্টা আৰম্ভ কৰিছিল যদিও সেয়া বানপানীৰ বাবে বিফল হয়। তেওঁ তাত এটা লোক নাটৰ কর্মশালা পাতিছিল। গঞাৰ পুনৰ সংস্থাপনৰ নিদান (therapy) হিচাপে তেওঁ এই কর্মশালাখনৰ আয়োজন কৰিছিল। তাত বানপানী হোৱাৰ কিছুমান বৈজ্ঞানিক কাৰণ বর্ণনা কৰা হৈছিল। নাটকত লোক সংগীতৰ সুৰৰ আধাৰত সৃষ্টি কৰা গীতেৰে সমস্যাৰ কথা কোৱা হৈছিল। দর্শকৰ অংশগ্রহণ আছিল অতি আশাব্যঞ্জক।

বৰ্তমান দেশত বহুতো পৰম্পৰাগত লোক মাধ্যম ব্যৱহাৰ কৰা অনুষ্ঠান আছে। সেইবোৰে পৰিবৰ্তনক লৈ সজাগতা সৃষ্টিৰ কাম কৰি আছে। অনুষ্ঠানবোৰে জনপ্ৰিয় লোকশৈলী নৃত্য, সংগীত আৰু নাটক ব্যৱহাৰ কৰে। ইয়াৰ মূল উদ্দেশ্য হ'ল যদি সমাজৰ তৃণমূল পৰ্যায়ৰ ব্যক্তি জড়িত নহয়, তেন্তে পৰিবৰ্তন যে অসম্ভৱ সেই বাৰ্তাটো প্ৰচাৰ কৰা। এই কাম সিদ্ধি কৰাৰ সৰ্বোত্তম মাধ্যম হ'ল লোক মাধ্যম। ৰাজনৈতিক দলবোৰেও ৰাইজক প্ৰভাৱিত/আকৰ্ষিত কৰিবলৈ লোক মাধ্যম ব্যৱহাৰ কৰে।

গ্ৰাম্য ভাৰতৰ উন্নয়ন গঞা লোকৰ সৈতে স্থাপিত সংযোগৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰ বাবে লোক মাধ্যমতকৈ উপযুক্ত পন্থা আন একো নাই। ভাৰতীয় সমাজ হ'ল সম্প্ৰদায়, শ্ৰেণী, জাতি, বৰ্ণ, জনজাতিসমূহৰ সমষ্টি। গ্ৰাম্য ভাৰতত নিৰক্ষৰতাৰ হাৰ সৰ্বাধিক। প্ৰায় ৮০ শতাংশ হ'ল গণ প্ৰচাৰ মাধ্যমৰ পৰা আঁতৰত থকা লোক। তেওঁলোক গাঁৱৰ বাসিন্দা। তেওঁলোকৰ বাবে গণ প্ৰচাৰ মাধ্যম হ'ল অতি গ্লেমাৰপূৰ্ণ, নৈৰ্ব্যক্তিক আৰু ঢুকি নোপোৱা মাধ্যম।

পৰম্পৰাগত মাধ্যম এনে লোকৰ বাবে সুলভ, পৰিচিত মাধ্যম। এইবোৰ ব্যক্তিগত আৰু ঘনিষ্ঠ। বিভিন্ন অঞ্চলৰ চাহিদা পূৰণৰ বাবে ভিন্ ভিন্ লোক মাধ্যম আছে। প্ৰত্যেক গাঁৱৰে নিজা সংগীত, নৃত্য, নাটক আছে। পৰম্পৰাগত মাধ্যমৰ সহায়ত এই লোকসকলৰ কায চাপিব পাৰি আৰু তেওঁলোকক দেশৰ উন্নয়ন তথা পৰিবৰ্তনৰ অংশীদাৰ কৰিব পাৰি। পৰম্পৰাগত মাধ্যমে মানুহক অতি সূক্ষ্ম শৈলীৰে আকৰ্ষণ কৰে। প্ৰয়োজনীয় বাৰ্তা জনপ্ৰিয় কলাসুলভ ৰূপত উপস্থাপন কৰে। গণ সংযোগৰ আন মাধ্যমৰ ক্ষেত্ৰত এয়া সম্ভৱ নহয়। সেয়েহে যদি আমি গ্ৰামাঞ্চলৰ বাসিন্দাক উন্নয়নৰ বাৰ্তা জনাব খোজো, তেন্তে আমি দেশত লোককলাক অধিক পৰিকল্পিত ৰূপত প্ৰসাৰিত কৰিব লাগিব।

১০.৬.১ ঘটনা দৃষ্টান্ত অধ্যয়ন

পৰম্পৰাগত মাধ্যমৰ অবিচ্ছেদ্য অংগ হ'ল মনোৰঞ্জন। ইয়াৰ উপৰি এই মাধ্যমৰ আন দুটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল জনসাধাৰণক শিক্ষিত আৰু তথ্যসমৃদ্ধ কৰা। বাৰ্তাবোৰ মনোৰঞ্জন, শিক্ষা আৰু সংযোগৰ মাধ্যমেৰে প্ৰচাৰ কৰাই ইয়াৰ মূল লক্ষ্য। এই মাধ্যমবোৰ হ'ল সৰ্বজনবিদিত আৰু ব্যক্তিগত। সেইবাবে মানুহে ইয়াক ফলপ্ৰসূভাৱে আৰু সহজে গ্ৰহণ কৰিব পাৰে। ভাৰতত প্ৰাচীন কালৰে পৰাই জনগণক অনুপ্ৰাণিত কৰিবলৈ লোক মাধ্যমবোৰক এক সফল সংযোগ মাধ্যম বুলি গণ্য কৰা হৈ আহিছে। উন্নয়নমূলক উদ্দেশ্যত লোক মাধ্যমৰ ব্যৱহাৰৰ যথেষ্ট উদাহৰণ পোৱা যায়। ইয়াৰে দুটামান তলত আলোচনা কৰা হ'ল।

বুৰাকথা (Burrakatha)ঃ হ'ল অন্ধ্ৰ প্ৰদেশৰ এটা জনপ্ৰিয় লোক মাধ্যম। ই হ'ল এক প্ৰকাৰৰ শোক গাঁথা গায়ন (ballad singing)। বুৰাকথা গায়কসকলক মানুহৰ কাম-কাজ, সামাজিক ৰীতি-নীতি আৰু সামাজিক আচাৰ-নীতি আদিৰ পঞ্জীয়ক (chronicler) আৰু ভৱিষ্যতৰ আশা-আকাংক্ষাৰ খতিয়ান ৰক্ষক বুলিও কোৱা হয়। স্বাধীনতাৰ পাছত ভাৰত চৰকাৰে আত্মনিৰ্ভৰশীলতা, সহযোগিতাৰ প্ৰয়াস, গ্ৰামোন্নয়ন, ৰাষ্ট্ৰীয় সঞ্চয়

আৰু পৰিয়াল পৰিকল্পনা আদিৰ দৰে বিষয়ৰ জৰুৰী বার্তা গাঁৱৰ দর্শকৰ মাজত প্রচাৰ কৰিবলৈ এই লোক মাধ্যমবোৰ ব্যৱহাৰ কৰিছিল। এই প্রচেষ্টাই জনগণক যথেষ্ট সহায় কৰিছিল।

কেৰালা শাস্ত্র সাহিত্য পৰিষদে ঃ পাৰিপার্শ্বিকতা বিষয়ক সমস্যাবোৰ সন্দর্ভত মানুহক সজাগ আৰু সক্রিয় কৰি তুলিবলৈ লোক মাধ্যমবোৰ ব্যৱহাৰ কৰিছিল। পৰিষদে সক্রিয়ভাৱে মাত মতা বিষয় আছিল ভাৰতৰ একমাত্র বর্তি থকা বর্ষাৰণ্য 'চাইলেণ্ট ভেলী'ৰ সংৰক্ষণ। তেওঁলোকে ব্যৱহাৰ কৰা লোক মাধ্যমবোৰ হ'ল লোক কলা, গীত, বাটৰ নাট আদি। এইবোৰৰ যোগেদি তেওঁলোকে ৰাইজক প্রদূষণ, স্বাস্থ্য আৰু কেলালাৰ বনাঞ্চল ধ্বংস আদিৰ দৰে বিষয়বোৰ জনাইছিল। আন ২০০ খন গাঁৱত আয়োজিত কৰা পুতলা নাচ প্রদর্শনীৰ উদ্দেশ্য আছিল সেই এলেকাবোৰৰ বেংকত ৰাইজৰ সঞ্চয়ৰ পৰিমাণ বৃদ্ধি কৰা। দুমাহৰ ভিতৰতে ইয়াৰ সুফল দেখা পোৱা গৈছিল। পুতলা নাচ ভাৰতৰ থলুৱা কলা। প্রাচীন কালৰে পৰা মনোৰঞ্জনৰ এক জনপ্রিয় মাধ্যম হিচাপে পুতলা নাচে জনপ্রিয়তা অর্জন কৰি আহিছে। ভাৰতৰ পুতলা থিয়েটাৰৰ বিশেষ স্বীকৃত শব্দভাণ্ডাৰৰ (stylised vocabulary) জৰিয়তে সামাজিক সজাগতা, ঐতিহাসিক আৰু পৰম্পৰাগত পৰিচয়-তথা নৈতিক প্রমূল্য প্রথা আদিৰ প্রাসংগিক বার্তা প্রচাৰ কৰা হৈছিল। ভাৰতৰ গাঁও অঞ্চলৰ মানুহৰ ৰীতি-নীতি, লোকাচাৰ আৰু সামাজিক পৰম্পৰাৰ সৈতে পুতলা থিয়েটাৰৰ সম্পূর্ণ সংহত সম্পর্ক এটা আছে। সমাজৰ পৰিৱর্তন হোৱা সত্বেও পুতলা থিয়েটাৰে ইয়াৰ অতুলনীয় অপৰিৱর্তনীয় বৈশিষ্ট্য ধৰি ৰাখিছে।

১৯৯০ৰ দশকত তামিলনাড়ুত সাক্ষৰ মহিলাৰ সংখ্যা নিচেই কম আৰু মহিলাৰ আধুনিকীকৰ সীমিত আছিল। ৰাজ্যখনৰ অশিক্ষিত জনগণক পৰিয়াল কল্যাণ আৰু সামাজিক সবলীকৰণৰ বিষয়ত শিক্ষিত কৰি তুলিবলৈ বৃহৎ পৰিসৰত লোক মাধ্যম ব্যৱহাৰ কৰা হৈছিল। তামিলনাড়ুৰ পৰিয়াল কল্যাণ বিষয়টোৰ দ্রুত উন্নয়ন সাধন গুৰুত্বপূর্ণ বুলি গণ্য কৰা সময়ছোৱাত প্রায় এটা দশকৰো অধিক কাল ৰাজ্যখনৰ জীৱন্ত কিংবদন্তিস্বৰূপ লোক শিল্পী চুবু অৰুমুগামে ৱিল্লুপাট্টু (Villupatta) নামৰ লোক মাধ্যমৰ জৰিয়তে এক উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। চু বুয়ে অতি কম খৰছতে অশিক্ষিত মানুহৰ মাজত অতি সৰল আৰু ফলপ্রসূভাৱে প্রয়োজনীয় সামাজিক বার্তা প্রচাৰ কৰিছিল। তেওঁ নিজৰ অনুষ্ঠানত হাস্য-ব্যংগ আৰু মানৱীয় উপাদান ব্যৱহাৰ কৰিছিল। তেওঁৰ দর্শকৰ ওপৰত ইয়াৰ গভীৰ প্রভাৱ পৰিছিল। তেওঁ ডাঙৰ আৰু সৰু পৰিয়ালৰ প্রভাৱ বুজাবলৈ কুলেছা (kulecha) আৰু ভগৱান শিৱৰ পৌৰাণিক কাহিনীবোৰ ব্যৱহাৰ কৰিছিল। জনসাধাৰণৰ বাবে এই কাহিনী আৰু চৰিত্রবোৰ আকর্ষণীয় আৰু মনোগ্রাহী আছিল। ইয়াৰ ফলত সহজেই বার্তাবোৰ প্রচাৰ কৰিব পৰা গৈছিল।

১৯৫৪ চনত ভাৰত চৰকাৰে **গীত আৰু নাট বিভাগ** গঠন কৰিছিল। এই বিভাগটো তথ্য আৰু সম্প্রচাৰ মন্ত্রালয়ৰ অধীনস্থ আছিল। প্রদর্শনীমূলক কলাৰ সম্পদক উন্নয়ন

সংযোগকেন্দ্রিক কাম-কাজলৈ সলনি কৰা ইয়াৰ উদ্দেশ্য আছিল। তেতিয়াৰে পৰা সমূহীয়া পর্যায়ত প্রতি বছৰে গড়ে ১৪,০০০ লোক কলা প্রদর্শনী অনুস্থিত কৰা হৈ আহিছে। বিভাগত ৪০০ গৰাকী শিল্পীয়ে কাম কৰে। ইয়াৰে আধা হ'ল লোক আৰু পৰম্পৰাগত মাধ্যমৰ শিল্পী। বিভাগৰ অধীনত প্রায় ৪০০ মান পঞ্জীয়নভুক্ত ব্যক্তিগত শিল্পীদল আছে। তেওঁলোকক বিভিন্ন উন্নয়নমূলক বিষয়ত অনুষ্ঠান পৰিৱেশন কৰাৰ বাবে প্রয়োজনসাপেক্ষে পাৰিশ্রমিক দায়িত্ব দিয়া হয়।

ৰবীন্দ্রনাথ ঠাকুৰকে ধৰি আন কেইবাগৰাগীও ব্যক্তিয়ে গ্রাম্য মেলা আৰু উৎসৱ আদি অনুস্থিত কৰি তাত পৰম্পৰাগত থিয়েটাৰৰ কার্যসূচী চলাই সাংস্কৃতিক পুনৰুত্থান আৰু ঔপানিৱেশবাদ বিৰোধী প্রতিবাদ কৰাৰ প্রয়াস চলাব পাৰি বুলি কৈছিল। ১৯২০ ৰ দশকত নাট্যকাৰ মুকুন্দ দাসে গাঁৱলীয়া **যাত্রা** নাট্যৰূপটো (Jatra) সলনি কৰিছিল। অতীজৰ যাত্রাবোৰে কেৱল ঐতিহাসিক অথবা পৌৰাণিক বিষয়ক অভিনয়ৰ বাবে বাছনি কৰিছিল। কিন্তু দাসৰ চিন্তাচর্চাৰ ফলত স্বদেশী অথবা জাতীয়তাবাদী যাত্রা দলৰ সৃষ্টি হ'ল। এনে দলে ঔপানিৱেশিক অন্যায়, জাতিপ্রথাৰ নামত চলা দমন আৰু সামন্তবাদী শোষণৰ দৰে বিষয়বস্তু অভিনয়ৰ বাবে বাছনি কৰিছিল। ঔপনিৱেশিক চৰকাৰে ইয়াৰ বাবে তেওঁক কাৰাগাৰলৈ নিক্ষেপ কৰিছিল। এনে সময়তে ইণ্ডিয়ান পীপলচ্ থিয়েটাৰ এচোছিয়েশ্যন (IPTA) গঠন কৰা হৈছিল। এচোছিয়েশ্যনে সমগ্র ভাৰততে নাট পৰিৱেশন কৰিছিল যদিও বংগত ইয়াৰ প্রভাৱ সবাতোকৈ অধিক আছিল। ১৯৪৩ চনত সমগ্র বংগ দুর্ভিক্ষৰ কবলত পৰিছিল। পাঁচ লাখ লোকে ক্ষুধাত প্রাণ হেৰুৱাইছিল। সেইখিনি সময়ত বংগৰ IPTA দলটোৱে সমগ্র ভাৰত ভ্রমণ কৰি খাদ্যৰ গোপন মজুতকাৰী আৰু চৰা দামত বিক্রী কৰাসকলৰ কাণ্ড ফাদিল কৰা নাট প্রদর্শন কৰিছিল। তেওঁলোকে এনে নাট প্রদর্শনীৰ যোগেদি খাদ্য ৰাহি কৰা অভিযানো আৰম্ভ কৰিছিল।

এইখিনিতে আফ্রিকাৰ এটা উল্লেখযোগ্য উদাহৰণ দিও। ১৯৮৬ চনত মালাৰীৰ গ্রামাঞ্চলৰ ড্রামবাদক, নর্তক-নর্তকী, সংগীতজ্ঞ, অভিনেতা-অভিনেত্রী আৰু কাহিনী-কথকসকলৰ দৰে পৰম্পৰাগত শিল্পীসকলক এসপ্তাহ জোৰা কর্মশালা এখনত কৰাইছিল। তাত তেঁওলোকে এলানি গীত, নৃত্য, কাহিনী আৰু নাট বিকশাই তুলিছিল। এই লোক মাধ্যমবোৰে জনসংখ্যা আৰু জীৱন নির্বাহৰ ধৰণ-কৰণ সম্পর্কীয় বহুতো সমস্যাৰ ওপৰত আলোকপাত কৰিছিল। এই প্রস্তুতিসমূহক আগতীয়াকৈ পৰীক্ষা কৰি লোৱাৰ পাছত ৰেডিঅ' অনুষ্ঠান, শ্রব্য কেছেট, দৃশ্যসাধ্য আহিলা, নাটক আৰু ছপা সামগ্রী হিচাপে এটা সংহত আৰু সফল মাল্টিমিডিয়া অভিযানৰ ৰূপ দিয়া হৈছিল। মালাৰী অভিজ্ঞতাৰ এতিয়াও সামৰণি পৰা নাই। এই অভিজ্ঞতাই উন্নয়নমূলক উদ্দেশ্যত পৰম্পৰাগত মাধ্যম ব্যৱহাৰৰ সম্ভাৱনীয়তাৰ কথাকে দেখুৱাই আহিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ ঃ উন্নয়নশীল দেশবোৰত উন্নয়ন ক্ষেত্রত পৰম্পৰাগত প্রচাৰ মাধ্যমৰ ভূমিকাক কেতিয়া পোন প্রথমবাৰৰ বাবে আন্তঃৰাষ্ট্রীয় স্বীকৃতি প্রদান কৰা হৈছিল?

.....

.....

.....

প্রশ্ন নং ১২ ঃ ভাৰতত বৃটিছ শাসনৰ বিৰুদ্ধে জনজাগৰণ সৃষ্টিত অৰিহণা যোগোৱা কেইটামান পৰম্পৰাগত লোককলাৰ নাম লিখক।

.....

.....

.....

প্রশ্ন নং ১৩ ঃ জনগণৰ মাজত দেশপ্রেমৰ ভাৱ জগাই তুলিবলৈ লোকগীত ব্যৱহাৰ কৰা প্রখ্যাত তামিল কবিগৰাকীৰ নাম কি?

.....

.....

প্রশ্ন নং ১৪ ঃ বিংশ শতিকাৰ চতুর্থ দশকত ভাৰতীয় গণ নাট্য সংঘই (IPTA) সামাজিক সজাগতা আৰু ৰাজনৈতিক শিক্ষা বৃদ্ধিৰ বাবে ব্যৱহাৰ কৰা জনপ্রিয় আঞ্চলিক নাট্য শৈলীবোৰ কি কি?

.....

প্রশ্ন নং ১৫ ঃ 'হমে জৱাব ছাহিয়ে' নামৰ বাটৰ নাটখনৰ ভিত্তি আছিল .....।

প্রশ্ন নং ১৬ ঃ লোক মাধ্যম ব্যৱহাৰ কৰা পাৰিপার্শ্বিকতাজনিত আন্দোলন কেইটামানৰ নাম লিখক।

.....



অনুশীলনী ১০.১

আপোনাৰ বাবে সুলভ বৈদ্যুতিন গণ প্রচাৰ মাধ্যমটো মনোযোগেৰে লক্ষ্য কৰক। মাধ্যমটোৱে কেনেদৰে লোক আৰু পৰম্পৰাগত মাধ্যমক উদগনি যোগাইছে, পৃষ্ঠপোষকতা কৰিছে বাছি উলিয়াওক। কেনে পৰিস্থিতিত সেৱা কৰা হৈছে, তাৰ ফলাফল কি সেয়াও নিৰীক্ষণ কৰক।

.....

১০.৭ চৰকাৰ আৰু তৃতীয় খণ্ডৰ অভিকৰণসমূহৰ ভূমিকা

তৃতীয় বিশ্বৰ বহুতো উন্নয়ন পৰিকল্পনাকাৰীয়ে উন্নয়নমূলক কার্যসূচীবোৰ ব্যাখ্যা কৰিবলৈ সংযোগ মাধ্যমৰূপে লোক মাধ্যমৰ প্রয়োগক প্রশংসা কৰিছে। অর্থনৈতিক আৰু সামাজিক উন্নয়নৰ বাবে মানুহক সংগঠিত কৰিবলৈ চৰকাৰী অভিকৰণ, আন্ত ঃ ৰাষ্ট্রীয় অনুষ্ঠান প্রতিষ্ঠান আৰু দাতব্য অভিকৰণসমূহে এই গুৰুত্বপূর্ণ আৰু শক্তিশালী সংযোগ মাধ্যমটোক প্রগতিশীলভাৱে ব্যৱহাৰ কৰা উচিত। দেখা গৈছে যে ভাৰতত পৰম্পৰাগত লোক মাধ্যমৰ গুৰুত্বপূর্ণ ব্যৱহাৰকাৰী হ'ল চৰকাৰ। ক্ষেত্রভিত্তিক প্রচাৰ নিদেশালয় আৰু ৰাজ্যিক প্রচাৰ বিভাগবোৰে বিভিন্ন উন্নয়নমূলক উদ্দেশ্যত লোক মাধ্যমৰ সর্বাধিক প্রয়োগ কৰি আহিছে। গীত আৰু নাট বিভাগে আধুনিক সংযোগ প্রচেষ্টাবোৰৰ পৰিপূৰক হিচাপে পুতলা নাচ, নাটক, নৃত্য, নাট, শোকগাঁথা তথা শব্দ আৰু পোহৰ প্রদর্শনীবোৰ জীৱন্ত ৰূপত পৰিৱেশন কৰি আহিছে। বিভাগৰ নিজা দল আৰু পঞ্জীয়নভূক্ত ব্যক্তিগত দলবোৰে এনে প্রদর্শনী মঞ্চস্থ কৰে। বিভাগে দেশৰ নগৰীয়া, গাঁৱলীয়া আৰু দূর্গম এলেকাত বাস কৰা জনজাতি লোকৰ বাবে এই অনুষ্ঠানবোৰৰ আয়োজন কৰে। এই অনুষ্ঠানবোৰে দেশে মানি লোৱা সামাজিক, অর্থনৈতিক আৰু গণতান্ত্রিক ধাৰণাবোৰৰ বিষয়ে সজাগতাৰ সৃষ্টি কৰে। লোক মাধ্যমৰ সম্ভাৱনীয়তা উপলব্ধি কৰি কিছুমান ৰাজ্য চৰকাৰ আৰু তৃতীয় খণ্ডৰ প্রতিষ্ঠানে এই মাধ্যমৰ কার্যসূচী প্রয়োগ কৰিবলৈ লৈছে। ৰাজহুৱা সম্প্রচাৰক আকাশৱাণী (All India Radio এতিয়া officially ব্যৱহাৰ নহয়)। দূৰদর্শনে বহুতো তথ্য প্রচাৰ কৰিবলৈ লোকমাধ্যম, বিশেষকৈ লোক সংগীতৰ সহায় লয়। লোক কাহিনী বোৰক সাধুকথা কোৱা শৈলীৰ সম্প্রচাৰ অনুষ্ঠানৰ ৰূপ দি লোৱা হয়। সৰু ল'ৰা-ছোৱালীৰ শিক্ষা, কৃষিৰ বাবে বৈজ্ঞানিক পদ্ধতিৰ প্রয়োগ, ৰাসায়নিক সাৰ ব্যৱহাৰৰ পৃষ্ঠপোষকতা আদি বিভিন্ন উন্নয়নমূলক বিষয় বর্ণনা কৰিবলৈ পুতলা নাচক কৌশল হিচাপে গ্রহণ কৰাৰ মাত্রা বৃদ্ধি পাইছে। ভাৰত চৰকাৰৰ গীত আৰু নাট বিভাগে বিভিন্ন চৰকাৰী প্রকল্পৰ পৃষ্ঠপোষকতা কৰিবলৈ চলোৱা অভিযানত পুতলা নাচ ব্যৱহাৰ কৰে। ভাৰতীয় জীৱন বীমা নিগমেও (LIC) জীৱন বীমাৰ বিষয়ে গাঁৱৰ ৰাইজক শিক্ষিত কৰি তুলিবলৈ পুতলা নাচৰ সহায় লৈছিল। লক্ষ্মৌত নিগমক সহায় কৰিছিল লিটা'ৰেৰী হাউচ নামৰ সংস্থাটোৱে। পৰম্পৰাগত মাধ্যমৰ পুনৰুত্থান আৰু অস্তিত্ব বর্তাই ৰাখিবলৈ ভাৰত চৰকাৰে ৰাষ্ট্রীয়, ৰাজ্যিক আৰু জিলা পর্যায়ত গীত আৰু নাট বিভাগ, সংগীত নাটক একাডেমী, ললিত কলা একাডেমী, দৃশ্য-শ্রব্য প্রচাৰ নিদেশালয় আদিৰ দৰে বিভিন্ন প্রাধিকৰণ গঠন কৰিছে।

বহুসময়ত 'তৃতীয় খণ্ড' (Third Sector) বুলি উন্নয়শীল দেশবোৰত 'বেচৰকাৰী সংস্থাবোৰক আৰু উন্নত দেশবোৰত 'লাভালাভৰ বাবে কাম নকৰা' (Not for Profit) সংস্থাবোৰৰ কথা বুজোৱা হয়। এনে সংস্থাবোৰে যিবোৰ মানুহৰ সৈতে আৰু যাৰ বাবে কাম কৰে সেই শ্রেণীৰ মানুহৰ সৈতে ঘনিষ্ঠ সম্পর্ক ৰক্ষা কৰি চলে। ইয়াৰ একমাত্র উদ্দেশ্য হ'ল মানুহৰ উন্নয়ন আৰু লাভালাভ। এই খণ্ডই শক্তি অথবা ধনক নিজৰ পুৰস্কাৰ ৰূপে তুলনা নকৰে। এই খণ্ড নমনীয়। তেওঁলোকে মানুহৰ প্রয়োজনীয়তা অনুসৰি আৰু তাৎক্ষণিকভাৱে কাম কৰে। সেয়েহে সমগ্র

বিশ্বৰ ৭০ শতাংশতকৈও অধিক মানৱীয় সাহায্য এই খণ্ডৰ মাজেৰে অভাৱী লোকৰ হাতত পৰেগৈ। এই খণ্ডই মানুহৰ উমৈহতীয়া সুপ্ৰশাসন প্ৰয়োজনীয়তা পূৰণ কৰে। বৰ্তমান ভাৰতত প্ৰায় ৩.২ মিলিয়ন পঞ্জীয়নভুক্ত বেচৰকাৰী সংস্থা (NGOs) আছে। কেন্দ্ৰীয় পৰিসংখ্যা সংস্থাৰ (CSO) মতে দেশৰ নগৰাঞ্চলত প্ৰতি ১০০০ গৰাকী বাসিন্দাৰ বাবে প্ৰায় ৪ টা আৰু গ্ৰামাঞ্চলত প্ৰতি ১০০০ গৰাকী বাসিন্দাৰ বাবে ২.৩ টাকৈ NGO আছে। ইয়াৰ এনে ব্যাপক বিস্তৃতিৰ বাবে ইয়াক 'তৃতীয় খণ্ড' বুলি কোৱা হয়।



১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৰম্পৰাগত লোক মাধ্যম নামৰ সংজ্ঞাটোৱে 'ব্যক্তিৰ পৰিবেশন'ক বুজা। লোক নৃত্য, মাধ্যমৰ অন্তৰ্ভুক্ত।
- ভাৰতত লোককৃষ্টি পৰিবেশন এক মিশ্ৰিত কলা। সংগীত, নৃত্য, মূকাভিনয় (versification), মহাকাব্যিক গাঁথাৰ আবৃত্তি, ধৰ্ম আৰু কৃষিভিত্তিক উৎসৱৰ মিশ্ৰণেৰে সৃষ্ট এক সম্পূৰ্ণ কলাই হ'ল লোক মাধ্যম। ইয়াক উৎসৱ-পাৰ্বণ, নীতি-নিয়ম, বিশ্বাস আৰু সামাজিক প্ৰথাৰ আভাস প্ৰতিফলিত হয়।
- গ্ৰাম্য ভাৰত হ'ল লোককলা, নাট, সংগীত, নৃত্য-চিত্ৰকলা আৰু হস্তকলাৰ অক্ষয় ভাণ্ডাৰ। প্ৰতিটো অঞ্চলৰে নিজস্ব লোককলা শৈলী আছে। প্ৰতিটো ৰূপেই নিজস্ব এলেকাত প্ৰাসংগিক আৰু জনপ্ৰিয়। অসমো ইয়াৰ ব্যতিক্ৰম নহয়।
- অসমৰ কেইটামান অতি জনপ্ৰিয় পৰম্পৰাগত লোক মাধ্যম হ'ল ওজাপালি, ভ্ৰাম্যমাণ নাট্যদল, ভাওনা, সত্ৰীয়া নৃত্য, লোকগীত, ৰৱগীত, বনগীত, বিহু আদি। পুতলা নাচ আৰু বাটৰ নাটো যথেষ্ট জনপ্ৰিয় মাধ্যম।
- পৰম্পৰাগত লোক মাধ্যমৰ কেইটামান বৈশিষ্ট্য হ'ল—
  - সময়ৰ পৰিবৰ্তন হোৱা সত্ত্বেও এই মাধ্যমবোৰ বৰ্তি থাকে।
  - পৰিবৰ্তিত সময়ৰ সৈতে পৰিবৰ্তন সাধনা কৰি মাধ্যমবোৰ বৰ্তি থাকে।
  - এনে পৰিৱেশনত সকলো ব্যক্তিয়েই অংশগ্ৰহণকাৰী, কোনো দৰ্শক নাই।
  - ই স্বতঃস্ফূৰ্ত।
  - ই নমনীয়।
  - ই ব্যয় সাৰ্থককাৰী। সেয়েহে ইয়াৰ পুনৰাবৃত্তি ঘটাব পাৰি।
  - ই দৰ্শকৰ তাৎক্ষণিক সঁহাৰি আৰু বৰ্দ্ধিত মনোযোগ লাভ কৰে।
  - মানুহৰ বুজা শক্তিৰ পৃষ্ঠপোষকতা কৰি এই কলা উমৈহতীয়া ভাষা এটাৰ মাধ্যমেৰে পৰিৱেশন কৰা হয়।

- ই পোনপটীয়া আৰু ব্যক্তিগত।

- পৰম্পৰাগত লোক মাধ্যমৰ সুবিধা পৰম্পৰাগত গণ প্ৰচাৰ মাধ্যমতকৈ বেছি।
  - ইয়াৰ জনগণৰ সৈতে অধিক ঘনিষ্ঠতা আছে।
  - ই কায়িকভাৱে মানুহৰ অতি নিকটৱৰ্তী।
  - ই হ'ল এটা ব্যক্তিগত মাধ্যম।
  - পৰি�ৱেশনৰ পুনৰাবৃত্তি কৰাৰ সুবিধা পৰম্পৰাগত লোক মাধ্যমৰ বেছি।
  - লোক আৰু পৰম্পৰাগত মাধ্যমত পৰ্যাপ্ত ৰূপত শাৰীৰিক অংগী-ভংগী অথবা অনা-মৌখিক ভাষা প্ৰয়োগৰ সুবিধা বেছি।
  - ইয়াত স্থানীয় ভাষা, সাজপাৰ আদি প্ৰয়োগ কৰা হয়।
  - ই হ'ল পৰিৱেশনকেন্দ্ৰিক মাধ্যম।

- ১৯৭২ চনত পোনপ্ৰথমবাৰৰ বাবে উন্নয়নশীল দেশবোৰৰ উন্নয়ন ক্ষেত্ৰত পৰম্পৰাগত মাধ্যমৰ ভূমিকাক আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি প্ৰদান কৰা হৈছিল। সেই বছৰ লণ্ডনত 'ইণ্টাৰনেশ্যনেল প্লেনড্ পেৰেণ্টহুড' আৰু ইউনেস্ক'ই পৰিয়াল পৰিকল্পনা সংযোগ কাৰ্যসূচীত লোক তথা গণ প্ৰচাৰ মাধ্যমৰ সংহত প্ৰয়োগ সম্পৰ্কীয় এলানি বৈঠকৰ আয়োজন কৰিছিল।

- স্বাধীনতা আন্দোলন চলি থকা সময়ৰে পৰা ভাৰতত পৰম্পৰাগত প্ৰচাৰ মাধ্যমৰ ব্যৱহাৰ হৈ আহিছে। স্বাধীনতা লাভৰ পাছতো চৰকাৰে গ্ৰামাঞ্চলৰ উন্নয়নৰ বাবে পৰম্পৰাগত লোককলা পৰিৱেশনৰ সহায় লোৱাৰ দৃষ্টান্ত আছে।

- চৰকাৰী অভিকৰণ, আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান- প্ৰতিষ্ঠান আৰু দাতব্য অভিকৰণসমূহে সংযোগৰ গুৰুত্বপূৰ্ণ আৰু শক্তিশালী মাধ্যমটোক প্ৰগতিশীলভাৱে ব্যৱহাৰ কৰা উচিত। ইয়াক অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ বাবে মানুহক সংগঠিত কৰাৰ মাধ্যম হিচাপে



১০.৯ অধিক জানিবলৈ

1) Gupta & Aggarwal (1996), *Media policy and nation building- select issues and themes,* Concept Publishers, New Delhi

2) Parmar, Shyam (1975), T*raditional Folk Media in India,* Gekha Books, New Delhi

3)Vijaya, N (1988), *The role of traditional folk media in rural areas : A sociological analysis,* Gian Publishing House, Andhra Pradesh



১০.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ পৰম্পৰাগত লোক মাধ্যম বোলা সংজ্ঞাটোৱে 'ব্যক্তিৰ পৰিৱেশন'ক বুজায়। পৰিবেশন কলা মানে হ'ল মানুহৰ সাংস্কৃতিক পৰম্পৰাৰ প্রতীকসমূহৰ প্রদর্শন।

২নং প্রশ্নৰ উত্তৰ ঃ চিত্রকলা আৰু হস্তকলা।

৩নং প্রশ্নৰ উত্তৰ ঃ ভাৰতত লোক সংস্কৃতি পৰিৱেশন হ'ল এটা সংমিশ্রিত কলা। সংগীত, নৃত্য, মূকাভিনয় (Versification), মহাকাব্যিক গাঁথাৰ আবৃত্তি, ধর্ম আৰু কৃষিভিত্তিক উৎসৱৰ মিশ্রণেৰে এই সংস্কৃতি সৃষ্টি কৰা হয়। ইয়াত উৎসৱ-পার্বণ, নীতি-নিয়ম, বিশ্বাস আৰু সামাজিক প্রথাৰ আভাস প্রতিফলিত হয়।

৪নং প্রশ্নৰ উত্তৰ ঃ অসমৰ কেইটামান জনপ্রিয় পৰম্পৰাগত লোক মাধ্যম হ'ল— ওজাপালি, ভ্রাম্যমাণ নাটক, ভাওনা, সত্রীয়া নৃত্য, লোকগীত, বৰগীত, বনগীত, বিহু, পুতলা নাচ ইত্যাদি।

৫নং প্রশ্নৰ উত্তৰ ঃ পৰম্পৰাগত লোক মাধ্যমৰ বৈশিষ্ট্যসমূহ হ'ল—

ক) সময়ৰ পৰিবর্তন হোৱা সত্ত্বেও এই মাধ্যমবোৰ বর্তি থাকে।

খ) পৰিবর্তিত সময়ৰ সৈতে পৰিবর্তন সাধন কৰি মাধ্যমবোৰ বর্তি থাকে।

গ) এনে পৰিবেশনত সকলো ব্যক্তিয়েই অংশগ্রহণকাৰী, কোনো দর্শক নাই।

ঘ) ই স্বতঃস্ফূর্ত।

ঙ) ই নমনীয়।

চ) ই ব্যয় সার্থককাৰী। সেয়েহে ইয়াৰ পুনৰাবৃত্তি ঘটাব পাৰি।

ছ) ই দর্শকৰ তাৎক্ষণিক সঁহাৰি আৰু বর্দ্ধিত মনোযোগ লাভ কৰে।

জ) মানুহৰ বুজা শক্তিৰ পৃষ্ঠপোষকতা কৰি এই কলা উমৈহতীয়া ভাষা এটাৰ মাধ্যমেৰে পৰিবেশন কৰা হয়।

ঞ) ই পোনপটীয়া আৰু ব্যক্তিগত।

৬নং প্রশ্নৰ উত্তৰ ঃ পৰম্পৰাগত লোক মাধ্যমৰ পাঁচটা সুবিধা হ'ল—

ক) ইয়াৰ জনগণৰ সৈতে অধিক ঘনিষ্ঠতা আছে।

খ) ই কায়িকভাৱে মানুহৰ অতি নিকটৱর্তী।

গ) পৰিৱেশনৰ পুনৰাবৃত্তি কৰাৰ সুবিধা আছে।

ঘ) পর্যাপ্ত ৰূপত শাৰীৰিক অংগী-ভংগী অথবা অনা-মৌখিক ভাষা প্রয়োগৰ সুবিধা বেছি।

ঙ) ইয়াত স্থানীয় ভাষা, সাজপাৰ আদি প্রয়োগ কৰা হয়।

৭নং প্রশ্নৰ উত্তৰ ঃ পৰম্পৰাগত লোক মাধ্যমৰ প্রধান অসুবিধাটো হ'ল কোনো এক সময়ত ই অতি সীমিত সংখ্যক দর্শকৰহে কাষ চাপিব পাৰে। ইয়াৰ অর্ত হ'ল লোক তথা

পৰম্পৰাগত শৈলীৰ পৰিৱেশন কেইবাশ অথবা হাজাৰ লোকৰ সন্মুখতহে কৰা হয়। লাখ লাখ লোকৰ কাষ চাপিবলৈ ইয়াৰ সামৰ্থ্য পৰ্যাপ্ত নহয়।

৮নং প্ৰশ্নৰ উত্তৰ ঃ বিহুগীতত উল্লেখ থকা দুটামান সামাজিক সমস্যা হ'ল স্বাধীনতা সংগ্ৰাম, ১৯৮০-ৰ দশকৰ বিদেশী বিতাড়ন আন্দোলন, বানপানী তথা আন বহুতো আৰ্থ-সামাজিক বিষয়।

৯নং প্ৰশ্নৰ উত্তৰ ঃ ওজাপালি।

১০নং প্ৰশ্নৰ উত্তৰ ঃ 'মহোহো' হ'ল মহ খেদা উৎসৱ। এই লোক সংস্কৃতি অনুসৰি গাঁৱৰ ৰাইজে সৰু সৰু গোট গঠন কৰি ঘৰে ঘৰে সৈ মহ খেদাৰ প্ৰয়োজনীয়তা বুজোৱাৰ প্ৰয়াস কৰে। ইয়াক অৱশ্যে বয়োজ্যেষ্ঠ গঞাইে ঘৰে ঘৰে গৈ মানুহক আশীৰ্বাদ দিয়াৰ পৰম্পৰা বুলিও ক'ব পৰা যায়। এইদৰে গঞা ৰাইজে পাৰস্পৰিক সম্পৰ্ক পুনৰুজ্জীৱিত কৰে।

১১নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭২ চনত পোন প্ৰথমবাৰৰ বাবে উন্নয়নশীল দেশবোৰৰ উন্নয়ন ক্ষেত্ৰত পৰম্পৰাগত মাধ্যমৰ ভূমিকাক আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি প্ৰদান কৰা হৈছিল। সেই বছৰ লণ্ডনত 'আন্তঃৰাষ্ট্ৰীয় পৰিকল্পিত পিতৃ-মাতৃৰ ফেডাৰেশ্যন' আৰু ইউনেস্ক'ই পৰিয়াল পৰিকল্পনা সংযোগ কাৰ্যসূচীত লোক তথা গণ প্ৰচাৰ মাধ্যমৰ সংহত প্ৰয়োগ সম্পৰ্কীয় এলানি বৈঠকৰ আয়োজন কৰিছিল।

১২নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতত বৃটিছ শাসনৰ বিৰুদ্ধে জনজাগৰণ সৃষ্টিত অৰিহণা যোগোৱা কেইটামান পৰম্পৰাগত লোককলা হ'ল— উত্তৰ প্ৰদেশৰ জনপ্ৰিয় লোকগাঁথা 'আহ্‌লা', মহাৰাষ্ট্ৰৰ 'লাৱনি', কৰ্ণাটকৰ 'গী-গী', তামিলনাডুৰ 'ভিল্লুপাট্টু' আৰু পশ্চিমবংগৰ 'কবিগান'।

১৩নং প্ৰশ্নৰ উত্তৰ ঃ সুব্ৰামান্য ভাৰতী।

১৪নং প্ৰশ্নৰ উত্তৰ ঃ পশ্চিমবংগৰ 'যাত্ৰা', গুজৰাটৰ 'ভৱাই', মহাৰাষ্ট্ৰৰ 'তমাছা' আৰু অন্ধ্ৰপ্ৰদেশৰ 'বুৰকথা'।

১৫নং প্ৰশ্নৰ উত্তৰ ঃ ভূপাল গেছ দুৰ্ঘটনা।

১৬নং প্ৰশ্নৰ উত্তৰ ঃ ছিপ্‌কো আন্দোলন, আপিকো আন্দোলন, ছেভ দ্যা ৰেষ্টাৰ্ণ ঘাটছ্‌।



১০.১১ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন (প্ৰায় ৫০টা শব্দত উত্তৰ দিয়ক)

১) পৰম্পৰাগত লোক মাধ্যমৰ যিকোনো দুটা বৈশিষ্ট্য লিখক।

২) কিঞ্চিৎ পাৰ্থক্যৰ সৈতে অসমৰ সকলো ঠাইতে প্ৰদৰ্শিত হোৱা যিকোনো দুটা লোক মাধ্যমৰ উদাহৰণ দিয়ক।

খ) চমু প্ৰশ্ন (প্ৰায় ১৫০টা শব্দত উত্তৰ দিয়ক)

১) লোক মাধ্যম ব্যৱহাৰ কৰি উন্নয়ন বাৰ্তা প্ৰেৰণ কৰাত চৰকাৰ আৰু তৃতীয় খণ্ডৰ সংস্থাসমূহৰ ভূমিকা সম্পৰ্কে ব্যাখ্যা কৰক।

২) সামাজিক সমস্যাসমূহৰ বিষয়ে সজাগতা সৃষ্টি কৰাত লোক মাধ্যমে কেনেদৰে কাম কৰে বৰ্ণনা কৰক।

গ) দীঘল প্ৰশ্ন (প্ৰায় ৩০০-৫০০শব্দত উত্তৰ দিয়ক)

১) কিদৰে লোক আৰু পৰম্পৰাগত মাধ্যমসমূহে জনসাধাৰণৰ মাজলৈ উন্নয়নমূলক সংযোগৰ বাৰ্তা কঢ়িয়াই নিব পাৰে? উদাহৰণসহ আলোচনা কৰক।

২) "লোক আৰু পৰম্পৰাগত মাধ্যমৰ আশানুৰূপ প্ৰচাৰ আৰু প্ৰসাৰ নোহোৱাৰ মূলতে হ'ল আধুনিক গণ মাধ্যমৰ বিকাশ।" এই কথাষাৰৰ প্ৰতি আপোনাৰ সমৰ্থন আছে নে? আপোনাৰ উত্তৰৰ সমৰ্থনত যুক্তিপূৰ্ণ ব্যাখ্যা আগবঢ়াওক।

৩) অসমৰ গ্ৰামাঞ্চলত বসবাস কৰা লোকৰ মাজত তেওঁলোকৰ সন্তানক নিয়মীয়াকৈ পালছ পলিঅ'ৰ খোৱাক দিয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে সজাগ কৰিবলৈ কেৱল লোক আৰু পৰম্পৰাগত মাধ্যমৰ সহায় লৈ কেনেধৰণৰ প্ৰচাৰ চলাব তাৰ এখন আঁচনি প্ৰস্তুত কৰক।

৪) আধুনিক গণ মাধ্যমৰ তুলনাত আমাৰ লোক আৰু পৰম্পৰাগত মাধ্যমসমূহৰ জনপ্ৰিয়তাৰ হাৰ নিম্ন হোৱাৰ মূলতে থকা কাৰণসমূহ কি কি বুলি আপুনি ভাবে? এই লোক আৰু পৰম্পৰাগত মাধ্যমসমূহ পুনৰুজ্জীৱিক কৰাত সহায়ক হোৱা কিবা পৰামৰ্শ আগবঢ়াব পাৰিবনে?

*** ***** ***



প্ৰসংগ পুথি (REFERENCES)

1) *Report on Communication and Sustainable Development* (2007), Food and Agriculture Organisation of the United Nations

2) Dua and Gupta (1994) – *Media and Development,* Har-Anand Publications, Delhi.

3) Gupta, V.S (1994), Communication Planning for Socio-Economic Development , Har-Anand Publications, New Delhi

4) Gupta and Aggarwal (1996) – *Media policy and nation building – select issues and themes,* Concept Publishers, New Delhi.

5) Haji, Mohd Handan Bin Adnan, *Development and Anti-Development Messages in Film, Television and Advertising* (1991), Media Asia, Vol. 18, No 2, pp 63–71.

6) Hanson, AJ and Gabriel, R (1992), *Communicating for Sustainable Development : Promoting sustainable development in developing countries,* Journal for Environment and Development, Vol 8, No 2, pp 111 – 132.

7) Joshi, Uma, (1997) – *A strategy for environment education – vital for sustainable development. Proceedings of national conference on Dimensions of Environmental Stress in India*, Geology Dept., MS University, Baroda

8) Joshi, Uma, *Understanding Development Communication*, Dominant Publishers & Distributors, (First edition 2001).

9) Joshi, Pahad, Mehta (Edited) (2000) – *Proceedings – National Seminar on Development Communication in India – Challenges and Issues,* Home Science Faculty, MS Baroda University.

10) Melkote, SR (1991) , *Communication for development in the Third World – Theory and practice*, Sage Publications, New Delhi.

11) Modi, Beller (1991),*Designing messages for development communication*, Sage publications, New Delhi

12) Murthy, DVR (2006), *Development Journalism : What next? An agenda for the press,* Kanishka Publishers, Distributors, New Delhi

13) Menon, Mridula (1997), Development communication and media debate,Kanishka Publishers, New Delhi

14) Prasad, Kiran (2009), *Communication for Development-Reinventing Theory and Action, Volume 1 & 2,* B.R Publishing Corporation, Delhi

15) Pushkar, Niranjan (2009), *Developmental Communication*, Gnosis, New Delhi

16) Prabhakar, Naval & Narendra Basu (2007), *Mass media and development ,Commonwealth Publishers, New Delhi*

17) Parmar, Shyam (1975), T*raditional Folk Media in India,* Gekha Books, New Delhi

18) Rehman and Rehman (1998) ,*Participation for Development*, Manak Publications, New Delhi.

19) Servaes, Jacobson, White (Edited – 1996) – *Participatory communication for social change,* Sage Publications, New Delhi.

20) Singhal, Doshi, Rogers and Rahman (1989) – The diffusion of television in India, Vidura – May-June issue, page 222 – 228.

21) Schramm, Wilbur (1964) – *The role of information in national development,* Stanford University press.

22) Servaes, Jacobson, White (Edited–1996) – *Participatory communication for social change,* Sage Publications, New Delhi.

23) Singhal, Doshi, Rogers and Rahman (1989) – The diffusion of television in India, Vidura – May-June issue, page 222–228.

24) Vijaya, N (1988), *The role of traditional folk media in rural areas : A sociological analysis,* Gian Publishing House, Andhra Pradesh

25) Yatra - The journey, development and Educational communication *unit (DECU), ISRO, Ahmedabad*

*** ***** ***



প্ৰসংগ পুথি (REFERENCES)

ইংৰাজী গ্ৰন্থ ঃ

1) Development and Educational Communication Unit (DECU), *Yatra– The Journey*, ISRO, Ahmedabad.
2) Dua and Gupta (1994)– *Media and Development,* Har Anand Publications, Delhi.
3) Gupta, Biswajeet, *Media Development and Management : New Horizons*, Kanishka Publishers, Delhi.
4) Gupta, U. S., *Communication Planning for Socio-Economic Development,* Har Anand Publications, Delhi.
5) Gupta and Aggarwal (1996), *Media Policy and Nation Building– Select Issues and Themes*, Concept Publishers, New Delhi.
6) Haji, Hohd Handan Bin Adnan, *Development and Anti-Development Messages in Film, Television and advertising* (1991), Media Asia, Vol. 18, No 2, pp 63-71.
7) Hanson, A. J. and Gabriel, R. (1992) *Communicating for Sustainable Development : Promoting Sustainable Development in Developing Countries,* Journal for Environment and Development, Vol. 8, No. 2, pp 111-132.
8) Joshi, Uma, *Understanding Development Communication,* Dominant Publishers & Distributors, (First edition 2001).
9) Joshi, Uma (1997), *A Strategy for Environment Education– Vital for Sustainable Development. Proceedings of National Conference on Dimensions of Environmental Stress in India,* Geology Dept., MS University, Baroda.
10) Joshi, Pahad, Mehta (Edited) (2000)– *Proceedings– National Seminar on Development Communication in India– Challenges and Issues,* Home Science Faculty, MS Baroda University.
11) Menon, Mridula, *Development Communication and Media Debate*, Kanishka Publishers, Delhi.

12) Melkote, S. R. (1991), *Communication for Development in the Third World– Theory and Practice,* Sage Publications, New Delhi.
13) Modi, Beller (1991), *Designing Messages for Development Communication*, Sage Publications, New Delhi.
14) Prabhakar, Naval & Basu, Narendra, *Mass Media and Development*, Commonwealth Publishrs, Delhi.
15) Rehman and Rehman (1998), *Participation for Development*, Manak Publications, New Delhi.
16) Schramm, Wilbur (1964), *The Role of Information in National Development,* Stanford University Press.
17) Servaes, Jacobson, White (Edited 1996), *Participatory Communication for Social Change,* Sage Publications, New Delhi.
18) Singhal, Doshi, Rogers and Rahman (1989), *The Diffusion of Television in India,* Vidura– May-June issue, Page 222-228.
19) Taleem (1997) Resource Material, *Communicating for Sustainable Development*, Centre for Environment Education, Ahmedabad.

*** ***** ***